# মহাকাশীয় দিশৰ পৰা জীৱকুলৰ বাবে ভয়ংকৰ হ'ব পাৰে নেকি আগষ্ট মাহটো ?

- পঙ্কজ বৰুৱা, বুঢ়ালিকচন, গোলাঘাট- অসম

মহাকাশ বিজ্ঞানী সকলে কেইদিনমানৰ আগতে 2006 QQ23' নামৰ এক ক্ষুদ্ৰ গ্ৰহ আৱিষ্কাৰ কৰে যি বিপদজনক ভাৱে পৃথিৱীৰ দিশে আগবাঢ়ি আহি আছে । এই ক্ষুদ্ৰগ্ৰহ Empire State Building ত কৈও আকাৰত ডাঙৰ । এই বিশাল বৰ্গকাৰ ক্ষুদ্ৰগ্ৰহক বিপদজনক বুলি বৈজ্ঞানিক সকলে চিনাক্ত কৰিছে । Empire State Building ৰ দৈৰ্ঘ্য ১৪৫৪ ফুট আনহাতে এই ক্ষুদ্ৰ গ্ৰহৰ দৈৰ্ঘ্য ১৮৭০ ফুট । Empire State Building ত কৈ এই ক্ষুদ্ৰ গ্ৰহ প্ৰায় ৩৬% বেছি ডাঙৰ । বৈজ্ঞানিক সকলৰ মতে পৃথিৱী বাসীৰ বাবে চিন্তাৰ কোনো কাৰণ নাই কিয়নো এই ক্ষুদ্ৰ গ্ৰহে পৃথিৱীৰ ওপৰেৰে পাৰ হৈ যাব কিন্তু পৃথিৱীক খুন্দা নামাৰে ।

2006 QQ23' নামৰ ৫৬৯ মিটাৰৰ এক ক্ষুদ্ৰ গ্ৰহে আমাৰ পৃথিৱীৰ নিচেই কাষেৰে ঘন্টাত ২৬,৭৪০ কিঃমিঃ বেগেৰে পাৰ হৈ গ' ল । এই ক্ষুদ্ৰ গ্ৰহৰ উচ্চতা পৃথিৱীৰ আটাইতকৈ ওখ প্ৰতিমা ষ্টেচু অফ ইউনিটিৰ উচ্চতাতকৈ তিনিগুণ অধিক ওখ । ১০ আগষ্টৰ দিনা পৃথিৱীৰ পৰা ৭.৪ মিলিয়ন কিঃমিঃ দূৰেদি এই ক্ষুদ্ৰ গ্ৰহ পাৰ হৈ গ' ল । ৭.৪ মিলিয়ন কিঃমিঃ যথেষ্ট দূৰ যেন লাগিলেও মহাকাশীয় দূৰত্বৰ ক্ষেত্ৰত ই অতিকৈ নিকটতম দূৰত্ব বুলি ধৰা হয় । আছলতে ৭.৪ মিলিয়ন কিঃমিঃ ওছৰেদি তিব্ৰগতিৰে পৃথিৱীৰ কাষেৰে পাৰ হৈ যোৱা যি কোনো মহাকাশীয় বস্তুক বৈজ্ঞানিক সকলে বিপদজনক বৰ্গৰ বুলি চিনাক্ত কৰে । গতিকে ক্ষুদ্ৰ গ্ৰহ 2006 QQ23 ও বিপদজনক বৰ্গৰ ভিতৰতে পৰে ।

বিগত কিছু মাহৰ ভিতৰত বহু কেইটা ক্ষুদ্ৰ গ্ৰহে বিপদজনক ভাৱে পৃথিৱীৰ দিশে গতি কৰিছিল কিন্তু আমাৰ পৃথিৱীৰ লগত কোনো সংঘৰ্ষ হোৱা নাছিল । হয় আমি পৃথিৱীবাসী এই দিশত যথেষ্ট ভাগ্যৱান । ১০০ মিটাৰৰ ওপৰৰ প্ৰতিটো ক্ষুদ্ৰ গ্ৰহেই পৃথিৱীৰ বাবে বিপদজনক যদি সেইবোৰে পৃথিৱীত খুন্দা মাৰে । এনে ক্ষুদ্ৰ গ্ৰহৰ সংঘৰ্ষৰ ফলত হিৰ' চিমা নাগাচাকিৰ পৰমাণু বমতকৈ হাজাৰগুণ অধিক শক্তি উৎপন্ন হ' ব আৰু সেই শক্তিয়ে সমষ্ট মানৱ জাতি ধ্বংস কৰিব পাৰে । আজিৰ পৰা বহু হাজাৰ বছৰৰ আগত এনে এক ক্ষুদ্ৰগ্ৰহে পৃথিৱীৰ বুকুত খুন্দা মৰাৰ বাবেই ডাইন' ছৰৰ লুপ্ত হৈছিল । ক্ষুদ্ৰ গ্ৰহ সমুহ কিছুমান শিলাখণ্ড যি সূৰ্য্যক পৰিক্ৰমা কৰে, কেতিয়াবা এই শিলাখণ্ড বোৰ পৃথিৱীৰ মধ্যাকৰ্ষণিক বলৰ বাবে আকৃষ্ট হয় আৰু পৃথিৱীৰ দিশে গুচি আহে । সৰহভাগ এনে ক্ষুদ্ৰ শিলাখণ্ড

পৃথিৱীৰ বায়ুমণ্ডলত প্ৰবেশ কৰাৰ লগে লগেই জ্বলি উথে আৰু পৃথিৱীৰ পৃষ্ঠ পোৱাৰ আগতে জ্বলি শেষ হৈ যায় । এইবোৰক আমি উল্কা বা পপীয়া তৰা বুলি কওঁ । spacetelescope.org, ত প্ৰকাশিত এক তথ্যৰ মতে ৭ লাখতকৈও অধিক ক্ষুদ্ৰ গ্ৰহ বা গ্ৰহাণু আছে আমাৰ সৌৰজগতত যি সূৰ্য্যক প্ৰদক্ষিণ কৰে । মংগল আৰু বৃহস্পতি গ্ৰহৰ মাজতে সৰ্বাধিক এনে ক্ষুদ্ৰ গ্ৰহ আছে যাক এষ্ট্ৰৰইড বেল্ট বুলিও কোৱা হয় ।

বৈজ্ঞানিক সকলে এতিয়ালৈকে ৩০০ মিটাৰত কৈ ডাঙৰ পৃথিৱীৰ বাবে বিপদ জনক ৫০০০ ত কৈ অধিক ক্ষুদ্ৰ গ্ৰহৰ আৱিষ্কাৰ কৰিছে । তথাপিও বৈজ্ঞানিক সকলৰ মতে আগন্তুক এশ বছৰলৈকে পৃথিৱী এনেধৰণৰ ক্ষুদ্ৰ গ্ৰহ সমুহৰ লগত সংঘষ হোৱাৰ পৰা সম্পূৰ্ণ সুৰক্ষিত । নিকট ভৱিষ্যতত ১০ হাজাৰতকৈও অধিক ক্ষুদ্ৰ গ্ৰহে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰবেশ কৰিব এইবোৰৰ আকাৰ ১০০ মিটাৰতকৈ কম । এইবোৰ পৃথিৱীৰ বায়ুমণ্ডলত প্ৰবেশ কৰাৰ লগে লগেই ভাগি টুকুৰা টুকুৰ হৈ জ্বলি উপৰতে শেষ হ' ব পৃথিৱী পৃষ্ঠ নাপায়হি ।

2006 QQ23 ক্ষুদ্ৰ গ্ৰহক ২০০১ চনৰ পাছৰ পৰা পৃথিৱীৰ কাষত পোৱা হোৱা নাছিল । ১০ আগষ্ট শনিবাৰে এই গ্ৰহাণুৱে পৃথিৱীৰ কাষেৰে ফ্লাইপাষ্ট কৰাৰ পাছত ১৫আগষ্ট ২০২২ লৈকে পৃথিৱীৰ ওছৰলৈ অহাৰ সম্ভাৱনা নাই । এই কেইদিন মানৰ ভিতৰত নাচাই আগষ্ট মাহত পৃথিৱীৰ দিশে আহি থকা আৰু ৭ টা ক্ষুদ্ৰ গ্ৰহক চিনাক্ত কৰে এই কেইটাৰ নাম হ' ল ক্ৰমে 2013 BZ45, 2018 PN22, 2016 PD, 2002 JR100 আৰু 2019 OU1.

কোৱা হয় যে পৃথিৱীৰ পৰা মানৱ জাতি সমগ্ৰ জীৱজগত এদিন নিশেষ হৈ যাব । কেৱল জীৱজগতে নহয় পৃথিৱীখনো এদিন ধ্বংস হ' ব আৰু এই ধ্বংসৰ কাৰণ এই ক্ষুদ্ৰ গ্ৰহেই হ' ব বুলি কোৱা হয় । চলিত আগষ্ট মাহত পৃথিৱীৰ কাষেৰে ৭ টা ক্ষুদ্ৰ গ্ৰহ বিপদজনক পৰিসীমাৰ মাজেৰে পাৰ হৈ যাব ।

এই মাহৰ ১ তাৰিখে 2019 ON নামৰ ১৮০ ফুট দৈৰ্ঘ্যৰ ক্ষুদ্ৰ গ্ৰহে ১০,৪০০ মাইল বেগেৰে পৃথিৱীৰ পৰা ১.৬ মিলিয়ন মাইল দূৰেদি পাৰ হৈ যায় ।

454094 2013 BZ45 বা 2013 BZ45 নামৰ ক্ষুদ্র গ্রহে এই মাহৰ ১২ তাৰিখে পৃথিৱীৰ কাষেৰে ১৮২৫০ মাইল গতিৰে পৃথিৱীৰ পৰা 8 মিলিয়ন মাইল দূৰেদি পাৰ হৈ যায় । এই ক্ষুদ্র গ্রহৰ আকাৰ ৮২০ ফুট দীঘল ।

2018 PN22 নামৰ আন এক ক্ষুদ্র গ্রহাণুৱে আগষ্ট মাহৰ ১৭তাৰিখে পৃথিৱীৰ নিচেই কাষ পাবহি । এই ক্ষুদ্র গ্রহৰ আকাৰ ৬২ ফুট দীঘল যি ঘন্টাত ৫০০০ মাইল বেগেৰে পৃথিৱীৰ দিশে আহি আছে । এই ক্ষুদ্র গ্রহাণুৱেও পৃথিৱীৰ পৰা 8 মিলিয়ন মাইল দূৰেদি পাৰ হৈ যাব বুলি কোৱা হৈছে ।

2016 PD নামৰ আৰু এটা ৩৬১ ফুট দৈৰ্ঘ্যৰ ক্ষুদ্র গ্রহাণুুৱে ২৬ আগষ্টৰ দিনা পৃথিৱীৰ কাষেদি পাৰ হৈ যাব । এই গ্রহাণুৱে ঘন্টাত ১৩১০০ মাইল বেগেৰ পৃথিৱীৰ দিশে আহি আছে ।

JR100 নামৰ আন এক ক্ষুদ্র গ্রহাণু আমাৰ দিশে ঘন্টাত ১৮৮০০ মাইল বেগেৰে আহি আছে আৰু ২৭ আগষ্টৰ দিনা ৰাতি ১০ বাজি ৩৭ মিনিটত 8.৬ মিলিয়ন মাইল দূৰেৰে পৃথিৱীৰ কাষেৰে পাৰ হৈ যাব । এই গ্রহাণুৰ আকাৰ দীঘলে প্রায় ২৬ ফুট ।

এই মাহৰ শেষৰ ফালে ২৮ আগষ্টৰ ৰাতিপুৱা ৫ বাজি ৩৭ মিনিটত 2019 OU1 নামৰ ৫০০ ফুট দৈৰ্ঘ্যৰ আন এক ক্ষুদ্র গ্রহে পৃথিৱীৰ পৰা ৬৩৯০০০ মাইল দূৰেদি পাৰ হৈ যাব । এই গ্রহাণুৱে ৩০০০০ মাইল প্রতিঘন্টা বেগেৰে বৰ্তমান পৃথিৱীৰ দিশে আগবাঢ়ি আহি আছে ।

এই ক্ষুদ্র গ্রহাণু সমুহ পৃথিৱীৰ কাষেৰে পাৰ হৈ যাব বুলি কোৱা হৈছে যদিও বৈজ্ঞানিক সকলৰ মনতো এক ভয় আশংকা থাকে যদি এই ক্ষুদ্র গ্রহাণু সমুহৰ আকাৰ আকৃতি গতি উপস্থিতি আদিৰ গণনাত সামান্য ক্রুটি হ' লেও ভুল তথ্য প্রকাশ পাব এনে ভুল তথ্য পৃথিৱীৰ বাবে ঘাটক হ' ব পাৰে সেয়ে এনে বস্তুৰ ওপৰত বহুবাৰ অধ্যয়ন কৰা হয় তাৰ পাছত হে নিচিন্ত বুলি প্রকাশ কৰা হয় । যোৱা বছৰ ১৮ ডিচেম্বৰত বেৰিং সাগৰত এক বিশাল গ্রহাণুৰ বিস্ফোৰণ ঘটোৱা হৈছিল নাছাৰ দ্বাৰা কিন্তু বহু দূৰৈত হোৱাৰ বাবে কাৰো ধ্যান আকৰ্ষণ হোৱা নাছিল । নাছাৰ মতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বিস্ফোৰণ হোৱা পৰমাণু বমতকৈ ১০ গুণ অধিক শক্তি উৎপন্ন হৈছিল প্রায় ১৭৩ কিল' টন ওজনৰ উল্কাৰ এই বিস্ফোৰণৰ ফলত । ২০১৩ চনত ৰুছিয়াৰ Chelyabinsk চহৰৰ ওছৰত 880 কিল' টন

ওজনৰ উল্কা বায়ুমণ্ডলত বিষ্ফোৰণ হোৱাৰ ফলত ১৫০০ লোকে আঘাতপ্ৰাপ্ত হৈছিল আৰু বহু ঘৰৰ চিচা ভাগি গৈছিল । বিগত বৰ্ষ বোৰৰ ভিতৰত এই ঘটনাই সৰ্ববৃহৎ উল্কাবিষ্ফোৰণ মানে ক্ষুদ্ৰ গ্ৰহৰ বিষ্ফোৰণ আছিল । প্ৰতি দিনাই বহু উল্কা ক্ষুদ্ৰ গ্ৰহাণু পৃথিৱীৰ বায়ুমণ্ডলত প্ৰবেশ কৰে আৰু বায়ুমণ্ডলৰ চাপৰ বাবে হোৱা ঘৰ্ষণৰ ফলত গৰম হৈ এই শিলাখণ্ডবোৰ জ্বলি ছাই হৈ যায় সৰহভাগেই । পৃথিৱীৰ বায়ুমণ্ডলে ৰক্ষা কৱচৰ দৰে আমাৰ বাবে কাম কৰি আছে বায়ুমণ্ডল নথকা হ' লে মুকলি আকাশত জীৱ থকাটো ইমান সহজ ন' হ' ল হেতেন কেতিয়া কাৰ মুৰত মহাকাশৰ পৰা শিলৰ টুকুৰা আহি পৰিল হেতেন ক' বকে নোৱাৰিলে হেতেন । বায়ুমণ্ডলে আমাক উশাহ ল' বলৈ অক্সিজেন দিয়াই নহয় বৰ্হিপৃথিৱীৰ পৰা অহা বিপদৰ পৰাও ৰক্ষা কৰি আহিছে ।